# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-07-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। অপাৰেচন সিন্দূৰৰ সময়ত ব্ৰাহ্মোছ ক্ষেপণাস্ত্ৰই উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল বুলি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

২। ৰে'ল বিভাগে যাত্ৰীৰ সুৰক্ষা বৃদ্ধিৰ বাবে সকলো দবাতে চিচি টিভি কেমেৰা লগোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ ওড়িশাৰ ভুৱনেশ্বৰ আৰু কটকলৈ যাব।

৪। এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি চতুৰ্থ দিনা ইংলেণ্ডে দ্বিতীয় ইনিংছত ৪টা উইকেটৰ বিনিময়ত ১৩৫ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

*আৰু*

৫। উইম্বলডন টেনিছ প্ৰতিযোগিতাত পুৰুষৰ ছিংগলছৰ ফাইনেল খেলখন আজি জেনিক ছিনাৰ আৰু কাৰ্লোছ অল্কাৰাজৰ মাজত হ'ব।

ooooo

অপাৰেচন সিন্দূৰৰ সময়ত ব্ৰাহ্মোছ ক্ষেপণাস্ত্ৰই উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল বুলি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। অপাৰেচন সিন্দূৰৰ পাছত বিদেশত ব্ৰাহ্মোছ ক্ষেপণাস্ত্ৰৰ চাহিদা বৃদ্ধি পাইছে। লক্ষ্ণৌ সংসদীয় সমষ্টিলৈ দুদিনীয়া ভ্ৰমণসূচীৰে যোৱা প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভ্ৰমণৰ দ্বিতীয় দিনা নেচনেল পি জি কলেজত উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চন্দ্ৰভানু গুপ্তাৰ প্ৰতিমূৰ্তি উন্মোচন কৰি ১৪ খন দেশে ব্ৰাহ্মোছ ক্ষেপণাস্ত্ৰ বিচৰাৰ কথা উল্লেখ কৰে। তেওঁ লগতে এই ক্ষেপণাস্ত্ৰ লক্ষ্ণৌৰ পৰাও ৰপ্তানি কৰা হ'ব বুলি প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে ৰাজ্যখনত কৰ্ম-সংস্থাপন বৃদ্ধি পাব বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে উত্তৰ প্ৰদেশ দেশৰ ৰাজনৈতিক যাত্ৰাৰ এটা গুৰুত্বপূৰ্ণ কেন্দ্ৰ। ৰাজ্যখনত জন্ম গ্ৰহণ কৰা নেতা আৰু স্বাধীনতা সংগ্ৰামীসকলে দেশক সদায়ে নতুন শিখৰত উপনীত কৰাত অৱদান আগবঢ়াইছে। চন্দ্ৰভানু গুপ্তাও তেনে এগৰাকী উল্লেখযোগ্য নেতা। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে নেতাগৰাকীৰ সন্মানাৰ্থে এটা ডাক টিকটো

মুকলি কৰে। আনহাতে, যোগী আদিত্যনাথ নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰখনক তেওঁ প্ৰশংসা কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে তেওঁৰ কাৰ্য্যকালত ৰাজ্যখন উন্নয়নৰ দিশে অগ্ৰসৰ হৈছে বুলি মন্তব্য কৰে।

ooooo

ৰে'ল বিভাগে যাত্ৰীৰ সুৰক্ষা বৃদ্ধিৰ বাবে সকলো দবাতে চিচি টিভি কেমেৰা লগোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু ৰে'ল ৰাজ্য মন্ত্ৰী ৰৱনিত সিং বিট্টুৱে ইঞ্জিন আৰু দবাত চিচি টিভি কেমেৰা স্থাপনৰ অগ্ৰগতিৰ বিষয়ে পৰ্য্যালোচনা কৰে। এই দবাসমূহত যাত্ৰীৰ উমৈহতীয়া আহ-জাহৰ স্থানত কেমেৰা স্থাপনেৰে সুৰক্ষা ব্যৱস্থা অধিক উন্নত কৰিব বিচৰা হৈছে। এই ব্যৱস্থাই দুৰ্বৃত্তক চিনাক্ত কৰাত সহায় কৰিব। যাত্ৰীৰ গোপনীয়তা ৰক্ষাৰ বাবে চিচি টিভি কেমেৰাসমূহ দুৱাৰৰ ওচৰৰ উমৈহতীয়া স্থানত স্থাপন কৰা হৈছে। শ্ৰীবৈষ্ণৱে ৭৪ হাজাৰ দবা আৰু ১৫ হাজাৰ ইঞ্জিনত চিচি টিভি কেমেৰা স্থাপনত অনুমোদন জনাইছে। মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত উন্নত মানৰ কেমেৰা স্থাপনত গুৰুত্ব আৰোপ কৰিছে। ঘণ্টাত ১০০ কিলোমিটাৰৰো অধিক বেগেৰে চলা ৰে'ল আৰু কম পোহৰতো যাতে উন্নত মানৰ দৃশ্যাংশ লাভ কৰিব পাৰি, সেই কথাত গুৰুত্ব আৰোপ কৰিবলৈ বিভাগটোৰ বিষয়াসকলক মন্ত্ৰীগৰাকীয়ে আহ্বান জনাইছে। শ্ৰীবৈষ্ণৱে লগতে ইণ্ডিয়া এ আই মিছনৰ সৈতে সহযোগিতাৰে চিচি টিভি কেমেৰাত বন্দী হোৱা তথ্যৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰৰ দিশটোৰ অন্বেষণ কৰিবলৈ বিষয়াসকলক আহ্বান জনাইছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ  ওড়িশাৰ ভূৱনেশ্বৰ আৰু কটকলৈ যাব। ৰাষ্ট্ৰপতিগৰাকীয়ে ভূৱনেশ্বৰৰ  অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ পঞ্চম সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰিব। পৰহিলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাৱেনশ্বো বিশ্ববিদ্যালয়ৰ ত্ৰয়োদশ সমাৱৰ্তনত অংশগ্ৰহণ কৰাৰ লগতে কটকৰ ৰাৱেনশ্বো বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ তিনিটা ভৱনৰ পুনৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে আদি কবি সৰলা দাসৰ জয়ন্তী উদযাপনৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে ২০২৪ বৰ্ষৰ কলিংগ ৰত্ন বঁটা প্ৰদান কৰিব।

ooooo

অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনি ৱ'ঙে আজি অষ্ট্ৰেলিয়া আৰু ভাৰতৰ মাজৰ সম্পৰ্ক প্ৰসাৰৰ উদ্দেশ্যে এই বৰ্ষৰ বাবে মৈত্ৰী অনুদান লাভ কৰা ৩৪ গৰাকীৰ নাম ঘোষণা কৰিছে। উল্লেখযোগ্য যে, এই অনুদান লাভ কৰাসকলে শিক্ষা বৃত্তিৰ উপৰি বিভিন্ন ফেল'শ্বিপ লাভ কৰিব। মন্ত্ৰীগৰাকীয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে যে, এই অনুদানৰ লক্ষ্য হৈছে, শিক্ষা, প্ৰযুক্তি, ব্যৱসায় আৰু সংস্কৃতিৰ দিশত দুয়োখন দেশৰে বিনিময় আৰু সহযোগিতাক সমৰ্থন কৰা। তেওঁ লগতে কয়, যে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ বৰ্তমানৰ সম্পৰ্ক পূৰ্বতকৈ অধিক ঘনিষ্ঠ আৰু গুৰুত্বপূৰ্ণ।

ooooo

দেশত যোৱা ১০ বছৰত মুঠ প্ৰত্যক্ষ কৰ সংগ্ৰহৰ পৰিমাণ ২৭৪ শতাংশ বৃদ্ধি পাইছে। বিত্ত মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, ২০১৩-১৪ বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষৰ সময়ছোৱাত কৰ বিভাগে ধন ঘূৰাই দিয়াৰ পৰিমাণ ৪৭৪ শতাংশ বৃদ্ধি পাইছে আৰু কৰদাতাৰ হাৰ ১৩৩ শতাংশ বৃদ্ধি পাইছে। কৰৰ ধন ঘূৰাই দিয়াৰ গড় সময় ২০১৩ চনৰ ৯৩ দিনৰ পৰা হ্ৰাস পাই ২০২৪ চনত মাত্ৰ ১৭ দিন হৈছেগৈ। যোৱা দশকত কৰ প্ৰশাসনৰ

ক্ষেত্ৰত ডিজিটেল আন্তঃগাঁথনি গ্ৰহণ কৰা, অনলাইন প্ৰক্ৰিয়াৰে আয়কৰ ৰিটাৰ্ণ দাখিল আদি ব্যৱস্থাৰ ফলত এই পৰিৱৰ্তন সম্ভৱ হৈছে।

০০০০০

ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড০ মাণিক সাহাই আজি গোমাটি জিলাৰ বন্দুৱাৰত স্থাপন হ'বলগীয়া ৫১ শক্তিপীঠ উদ্যানৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ভূমিপূজনত অংশ লয়। অনুষ্ঠানত মুখ্যমন্ত্ৰীজনে কয়, যে ৫১ খন শক্তিপীঠৰ ভিতৰত অন্যতম মাতাবাৰীখ্যাত ত্ৰিপুৰেশ্বৰী মন্দিৰৰ পৰা মাত্ৰ কেই কিলোমিটাৰমান নিলগত অৱস্থিত এই উদ্যানখনে ৰাজ্যখনৰ অৰ্থনীতিৰ লগতে ধৰ্মীয় পৰ্য্যটনৰ দিশত উল্লেখযোগ্য অৱদান আগবঢ়াব।

০০০০০

ওড়িশাৰ ফকিৰ মোহন স্বায়ত্বশাসিত মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰীয়ে মহাবিদ্যালয়খনৰ প্ৰাংগনতে নিজৰ দেহত অগ্নি সংযোগ কৰি আত্ম হত্যাৰ চেষ্টা চলাইছে। মহাবিদ্যালয়খনৰ এগৰাকী সহকাৰী অধ্যাপকৰ বিৰুদ্ধে যৌন নিৰ্য্যাতনৰ অভিযোগ তুলি ছাত্ৰীগৰাকীয়ে এই চেষ্টা চলায়। সংকটজনক অৱস্থাত ছাত্ৰীগৰাকীক ভূবনেশ্বৰ এইমছত ভৰ্তি কৰোৱা হয়। চিকিৎসকে জানিবলৈ দিয়া অনুসৰি, ছাত্ৰীগৰাকীৰ দেহৰ ৯০ শতাংশতকৈও অধিক অংশ অগ্নিদগ্ধ হৈছে। ইপিনে, ছাত্ৰীগৰাকীক উদ্ধাৰ কৰিবলৈ যোৱা এগৰাকী ছাত্ৰও ঘটনাত গুৰুতৰভাৱে আহত হৈছে। অভিযুক্ত অধ্যাপকগৰাকীক ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। উল্লেখযোগ্য যে, এই ঘটনা সংক্ৰান্তত ওড়িশা চৰকাৰে মহাবিদ্যালয়খনৰ অধ্যক্ষৰ লগতে অধ্যাপকগৰাকীক তৎকালীনভাৱে নিলম্বন কৰিছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে আজি বিয়লি ভূবনেশ্বৰ এইমছত উপস্থিত হৈ ছাত্ৰীগৰাকীৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে তেওঁৰ পিতৃ-মাতৃৰ সৈতেও মত বিনিময় কৰে।

০০০০০

লৰ্ডছত চলি থকা এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি চতুৰ্থ দিনা ঘৰুৱা দল ইংলেণ্ডে দ্বিতীয় ইনিংছত বাতৰি লিখাৰ পৰলৈকে ৪টা উইকেটৰ বিনিময়ত ১৩৫ ৰাণ সংগ্ৰহ কৰিছে। আজি পতন ঘটা ইংলেণ্ডৰ দুটা উইকেট মহম্মদ ছিৰাজে দখল কৰে। নীতিশ কুমাৰ ৰেড্ডী আৰু আকাশ দীপে এটাকৈ উইকেট দখল কৰে।

০০০০০

উইম্বলডন প্ৰতিযোগিতাত পুৰুষৰ ছিংগলছৰ ফাইনেলত আজি বিশ্বৰ এক নম্বৰ স্থানৰ খেলুৱৈ জেনিক ছিনৰ, দ্বিতীয় বাছনিপ্ৰাপ্ত তথা বিগত দুটা বছৰ খিতাপ অৰ্জন কৰা স্পেইনৰ কাৰ্লোছ অল্কাৰাজৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে আঠ বজাত আৰম্ভ হ'ব। প্ৰথমখন ছেমি ফাইনেলত আমেৰিকাৰ টেইলৰ ফ্ৰিটজক পৰাস্ত কৰি অলকাৰাজ ফাইনেললৈ অগ্ৰসৰ হৈছে। একেদৰে দ্বিতীয়খন ছেমিফাইনেলত চিনাৰে চাৰ্বিয়াৰ নোভাক জ'ক'ভিছক পৰাস্ত কৰি ফাইনেলত উপনীত হৈছে। অলকাৰাজে ফাইনেলৰ প্ৰতিদ্বন্দীৰ সৈতে পূৰ্বে খেলা পাছোখন খেলতে জয়ী হোৱাৰ বিপৰীতে চিনাৰে কেৱল ২০২২ চনত উইম্বলডনৰ খেলত অলকাৰাজৰ বিৰুদ্ধে জয়ী হৈছিল।

ইপিনে, ইগা স্কিয়াটেকে আমান্দা অনিছিম'ভাক পৰাস্ত কৰি উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰথমটো খিতাপ অৰ্জন কৰিছে। প'লেণ্ডৰ স্কিয়াটেকে কালি অল ইংলেণ্ড ক্লাবত অনুষ্ঠিত একপক্ষীয়

ফাইনেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ আমান্দাক ৬-০, ৬-০ পোনপটীয়া ছেটত পৰাস্ত কৰে। ইয়াৰ লগে লগে স্বিয়াটেক উইম্বৰলডন টেনিছ প্ৰতিযোগিতাৰ খিতাপ দখল কৰা প'লেণ্ডৰ মহিলাৰূপে পৰিগণিত হয়।

০০০০০

ভাৰতীয় গ্ৰেণ্ড মাষ্টাৰ ভাণ্টিকা আগৰৱাল আৰু দিব্যা দেশমুখে মহিলাৰ ফিদে দবা বিশ্বকাপৰ তৃতীয় ৰাউণ্ডৰ প্ৰথম খেলত জয়লাভ কৰি প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ সম্ভাৱনা প্ৰৱল কৰি তুলিছে। উল্লেখযোগ্য যে, জৰ্জিয়াৰ বাটুমিত কালি আৰম্ভ হোৱা প্ৰতিযোগিতাৰ প্ৰথম দিনটোত শীৰ্ষ বাছনিৰ ভাৰতীয় খেলুৱৈ কনেৰো হাম্পি, দি হৰিকা আৰু আৰ বৈশালীয়ে ড্ৰ খেলে।

০০০০০

সমাপ্ত